**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-09-2024
**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ এশ দিন সম্পূৰ্ণ হোৱাৰ সৈতে সংগতি ৰাখি দেশৰ মধ্যবিত্ত শ্ৰেণীৰ সৰলীকৰণৰ ক্ষেত্ৰত চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে এই প্ৰসংগত কয় যে, আধুনিক আন্তঃগাথনি গঢ়ি তোলাৰ লগে লগে দেশত নিয়োগৰ সুবিধা বৃদ্ধিৰ জৰিয়তে দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ সৰলীকৰণ  সম্ভৱ হৈছে। চৰকাৰে ২৮ হাজাৰতকৈ অধিক টকা বিনিয়োগেৰে দেশত ১২ টা ঔদ্যোগিক ব্যৱস্থা স্থাপনৰ যোগেদি বিশ্বমানৰ উৎপাদন কেন্দ্ৰ গঢ়ি তুলিছে। যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ ক্ষেত্ৰত পুণে, থানে আৰু বাংগালুৰুত মুঠ ৩০  হাজাৰ ৭০০ কোটি টকা ব্যয়সাপেক্ষ মেট্ৰ' প্ৰকল্প হাতত লোৱা হৈছে। সুবিধাজনক ভ্ৰমণৰ বাবে দিল্লীৰ আই জি আই বিমানবন্দৰত ফাষ্ট ট্ৰেক ইমিগ্ৰেছন ট্ৰাষ্টেড ট্ৰেভেলাৰ প্ৰ'গ্ৰাম আৰম্ভ কৰা হৈছে। ৰাজহুৱা পৰীক্ষা আইন প্ৰৱৰ্তন কৰি স্বচ্ছ নিযুক্তিৰ ব্যৱস্থা কৰা হৈছে। কৰদাতাসকলক উপকৃত কৰাৰ বাবে ৭ লাখ টকা পৰ্যন্ত আয় কৰ মুক্ত কৰাৰ ব্যৱস্থা কৰা হৈছে।  আয়কৰ আইনখন সৰল কৰাৰ বাবেও পৰ্যালোচনা আৰম্ভ হৈছে।  উমৈহতীয়া পেঞ্চন আঁচনিৰ অধীনত ২৩ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীক ৫০ শতাংশ পেঞ্চনৰ নিশ্চয়তা প্ৰদান কৰা হৈছে আৰু অৱসৰপ্ৰাপ্ত প্ৰতিৰক্ষা কৰ্মী তথা তেওঁলোকৰ পৰিয়ালৰ বাবে এক পদবী এক পেঞ্চন আঁচনিৰ সংশোধন কৰা হৈছে। বহিঃৰাষ্ট্ৰৰ প্ৰতিষ্ঠানৰ নিৰ্ভৰতা হ্ৰাস কৰাৰ লগতে স্বাস্থ্য সেৱাৰ আন্তঃগাথনি শক্তিশালী কৰাৰ বাবে ৭৫ হাজাৰ নতুন চিকিৎসা বিজ্ঞানৰ আসন সংযোজন কৰা হৈছে। ৭০ বছৰ বা তাতকৈ অধিক বয়সৰ ব্যক্তিৰ বাবে আয়ুষ্মান ভাৰত আঁচনিৰ যোগেদি প্ৰতি বছৰে ৫ লাখ টকাৰ চিকিৎসা সাহায্য প্ৰদান কৰি থকা হৈছে। মুদ্ৰা ঋণৰ সীমা ১০ লাখৰ পৰা ২০ লাখলৈ বৃদ্ধি কৰি  উদ্যোগীকৰণ ত্বৰান্বিত কৰা হৈছে। সোণ আৰু ৰূপৰ ওপৰত সীমাশুল্ক ৬ শতাংশ আৰু প্লেটিনামৰ ওপৰত ৬ দশমিক ৪ শতাংশ হ্ৰাস কৰাৰ ফলত মধ্যবিত্ত শ্ৰেণী সকাহ পোৱা পৰিলক্ষিত হৈছে। পৰিবেশ অনুকুল পৰিবহন ব্যৱস্থা সুনিশ্চিত কৰাৰ বাবে ৩ হাজাৰ ৪শ কোটি টকাৰ পি এম ই বাছ সেৱা ক্ৰয় কৰা হৈছে। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ যোগেদি নগৰাঞ্চলত এক কোটি গৃহ নিৰ্মাণ কৰা হৈছে। তদুপৰি পি এম সূৰ্যঘৰ বিনামুলীয়া বিজুলী যোজনাৰ অধীনত চাৰে ৩ লাখ বাসগৃহত সৌৰ ব্যৱস্থা স্থাপনৰ ফলত মধ্যবিত্ত শ্ৰেণীৰ সঞ্চয় বৃদ্ধি হৈছে।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিচৰাধীন গোচৰসমূহে ন্যায় প্ৰদান ব্যৱস্থাত অন্তৰায় সৃষ্টি কৰা বুলি প্ৰকাশ কৰিছে। তেওঁ কয় যে, এই গোচৰসমূহৰ বাবে ন্যায় প্ৰদানত বিলম্ব হয়। ৰাজ্যত বিভিন্ন পৰ্যায়ত চাৰে চাৰি লাখতকৈও অধিক গোচৰ বিচৰাধীন হৈ আছে বুলি তেওঁ সদৰী কৰে। তেওঁ কয় যে ইয়াৰ পৰিপ্ৰেক্ষিতত কম গুৰুত্বপূৰ্ণ গোচৰসমূহ প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ জৰিয়তে অধিক গুৰুত্বপূৰ্ণ গোচৰসমূহৰ বিচাৰৰ ক্ষেত্ৰত সুচলতা আহি পৰিব বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে আজি জনজাতি পৰিক্ৰমা বিভাগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত চিৰাঙৰ ছপাগুৰিত এটা জনজাতীয় জিৰনি গৃহ মুকলি কৰে। এই জিৰনি গৃহৰ জৰিয়তে জনজাতীয় সম্প্ৰদায় বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে চিৰাঙৰ অল্লাইগুৰি ইক' টুৰিজিম পাৰ্ক মুকলি কৰে। এই প্ৰকল্পতো দুই কোটি ৮৭ লাখতকৈও অধিক ধন ব্যয় সাপেক্ষে দুটা পৰ্যায়ত সম্পূৰ্ণ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

কৃষি, পশুপালন তথা পশু চিকিৎসা মন্ত্ৰী অতুল বৰাই আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৰাইব্ৰেণ্ট নৰ্থইষ্ট ২০২৪ শীৰ্ষক অনুষ্ঠানত অংশগ্ৰহণ কৰে। ড'নাৰ মন্ত্ৰালয়ৰ সহযোগত কৃষি আৰু গ্ৰামোন্নয়ন কেন্দ্ৰই আয়োজন কৰা এই কাৰ্যসূচীৰ জৰিয়তে বিভিন্ন ক্ষেত্ৰৰ কৰ্ণধাৰসকলে একেখন মঞ্চতে তেওঁলোকৰ উদ্ভাৱন, প্ৰযুক্তি তথা কামকাজসমূহ প্ৰদৰ্শন কৰাৰ সুযোগ পাব। মন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি কৃষক তথা যুৱচামৰ সৈতে মত বিনিময় কৰে। কৃষি আৰু গ্ৰামোন্নয়ন কেন্দ্ৰই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ কৃষি আৰু উদ্যোগৰ সৈতে জড়িত লোকসকলক উপকৃত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ বিষয়ে তেওঁ উল্লেখ কৰে।

০০০০০০০

ৰাজ্যত বৰ্ধিত তাপমাত্ৰা তথা উৎকট গৰমৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে কামৰূপ মহানগৰ জিলাৰ সকলো ব্যক্তিগত, চৰকাৰী তথা কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিদ্যালয়লৈ বিশেষ নিৰ্দেশনা জৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি বিদ্যালয়ৰ শ্ৰেণীসমূহ পুৱা চাৰে সাত বজাৰ পৰা আৰম্ভ কৰিবলৈ অনুমতি দিয়া হোৱাৰ লগতে দিনৰ চাৰে ১২ বজাত বিদ্যালয় ছুটী দিবলৈ কোৱা হৈছে। তদুপৰি সকলো শিক্ষানুষ্ঠানকে ৰাতিপুৱাৰ প্ৰাৰ্থনাসভা শ্ৰেণীকোঠাৰ ভিতৰত অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। বিদ্যালয়ৰ প্ৰাংগনত উপযুক্ত খোৱাপানীৰ ব্যৱস্থা কৰাৰ লগতে অন্যান্য সা-সুবিধাসমূহ সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০০

জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি নলবাৰী চিকিৎসা মহাবিদ্যালয় তথা চিকিৎসালয়ত শেহতীয়া সুবিধাৰে সমৃদ্ধ চিটিস্কেন যন্ত্ৰ মুকলি কৰে। তেওঁ কয় যে, ইয়াৰ জৰিয়তে অঞ্চলটোৰ স্বাস্থ্য সেৱা খণ্ডত এটা গুৰুত্বপূৰ্ণ অগ্ৰগতি হ'ব। স্থানীয় লোকসকলৰ উপৰি সমীপৰ অঞ্চলসমূহৰ ৰোগী তথা ৰোগীৰ পৰিয়াল এই শেহতীয়া চিকিৎসা সজুলীৰ জৰিয়তে উপকৃত হ'ব বুলি তেওঁ আশাপ্ৰকাশ কৰে।

০০০০০০০০

**সমাপ্ত**